**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-10-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***Headlines***

-----------------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাছিয়াৰ কাজানত অনুষ্ঠিত ব্ৰিকছ্ শীৰ্ষ সন্মিলনৰ সুযোগতে চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

২। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আয়ুষ্মমান ভাৰত আঁচনিখনক সবাতোকৈ উৎকৃষ্ট সামাজিক নিৰাপত্তামূলক আঁচনিসমূহৰ অন্যতম বুলি অভিহিত কৰিছে।

৩। ভাৰতীয় বায়ুসেনা বাহিনী আৰু উত্তৰাখণ্ড যুদ্ধ স্মাৰকে আয়ুজন কৰা বায়ু বীৰ বিজেতা কাৰ ৰেলী আজি সন্ধিয়াৰ ভাগত গুৱাহাটীত উপস্থিত হ'ব।

৪। এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাৰ ১৭ বছৰ অনূৰ্ধৰ যোগ্যতা নিৰূপণকাৰী খেলত ভাৰতে আজি নিজৰ অভিযান আৰম্ভ কৰিব। **আৰু**

৫। নতুন দিল্লীৰ মেজৰ ধ্যানচন্দ নেচনেল ষ্টেডিয়ামত আজিৰে পৰা ভাৰত আৰু জাৰ্মানীৰ মাজৰ বহু অপেক্ষিত দ্বিপাক্ষিক হকী শৃংখলা আৰম্ভ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাছিয়াৰ কাজানত অনুষ্ঠিত ব্ৰিকছ্ শীৰ্ষ সন্মিলনৰ সুযোগতে চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত টহল ব্যৱস্থাপনা সন্দৰ্ভত দুয়োখন দেশ এখন চুক্তিত উপনীত হোৱাৰ পৰিপ্ৰেক্ষিতত এই বৈঠক বিশেষ তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। প্ৰধানমন্ত্ৰী মোদী আৰু চীনৰ ৰাষ্ট্ৰপতিৰ মাজত বিগত ২২ বছৰত এয়া প্ৰথমখন সুপৰিকল্পিত বৈঠক হ'ব। ইয়াৰ পূৰ্বে দুয়োগৰাকী নেতা ২০২৩ বৰ্ষত দক্ষিণ আফ্ৰিকাত অনুষ্ঠিত ব্ৰিকছ্ শীৰ্ষ সন্মিলনৰ আপাহতে বৈঠকত মিলিত হৈছে আৰু বৈঠকত শ্ৰীমোদীয়ে ভাৰত-চীন সীমান্ত এলেকাৰ পশ্চিম খণ্ডৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ অমীমাংসিত বিষয়সমূহক লৈ উদ্বেগ প্ৰকাশ কৰিছিল। শ্ৰীমোদীয়ে ব্ৰিকছ্ শীৰ্ষ সন্মিলনক সম্বোধন কৰিব। শ্ৰীমোদীয়ে কালি ৰাছিয়া আৰু ইৰাণৰ ৰাষ্ট্ৰপতিৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। বৈঠকত শ্ৰীমোদীয়ে দেশ দুখনৰ বিষয়সমূহ শান্তিপূৰ্ণ পন্থাৰে সমাধানৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। শ্ৰীপুটিনৰ সৈতে হোৱা বৈঠকত প্ৰধানমন্ত্ৰীয়ে কয় যে ৰাছিয়া-ইউক্ৰেইনৰ মাজৰ সংঘাতৰ শান্তিপূৰ্ণ সমাধানত সহায় কৰিবলৈ ভাৰত সাজু। বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে সংবাদ মাধ্যমৰ আগত কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে ইউক্ৰেইনৰ নেতৃবৰ্গৰ সৈতে হোৱা বৈঠকৰ বিষয়ে পুটিনক অৱগত কৰে আৰু ভাৰত অঞ্চলটোৰ শান্তি ঘূৰাই অনাৰ বাবে আৱদান আগবঢ়াবলৈ আগ্ৰহী বুলি প্ৰকাশ কৰে।

শ্ৰীমোদীয়ে ইৰাণৰ ৰাষ্ট্ৰপতি মছুদ পেজেশ্বকিয়নক সাক্ষাৎ কৰে আৰু পশ্চিম এছিয়াৰ পৰিস্থিতিক লৈ আলোচনা কৰে। বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত কয় যে বৈঠকত

শ্ৰীমোদীয়ে বৰ্ধিত উত্তেজনাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে আৰু অসামৰিক লোকসকলৰ সুৰক্ষাৰ আৱশ্যকতা সন্দৰ্ভত ভাৰতৰ দৃষ্টিভংগীৰ কথা দোহাৰে। তেওঁ লগতে উত্তেজনা হ্ৰাস কৰাৰ বাবে আলোচনা আৰু কূটনৈতিক পন্থাৰ আৱশ্য কৰা বিষয়ে গুৰুত্ব আৰোপ কৰে। শ্ৰীমিশ্ৰীয়ে কয় যে দুয়োগৰাকী নেতাই আফগানিস্তানৰ বিষয়েও আলোচনা কৰে আৰু দেশখনৰ জনসাধাৰণলৈ মানৱীয় সাহায্য অব্যাহত ৰখাৰ লগতে অঞ্চলটোত শান্তি, সুস্থিৰতা বৰ্তাই ৰখাত গুৰুত্ব আৰোপ কৰে।

শ্ৰীমোদীয়ে লগতে ইৰাণৰ সৈতে থকা প্ৰাচীন দ্বিপাক্ষিক সম্পৰ্কক গভীৰ কৰি তুলিবলৈ ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে প্ৰকাশ কৰে। বিদেশ সচিবগৰাকীয়ে লগতে কয় যে দুয়োগৰাকী নেতাই ছাবাহাৰ বন্দৰ আৰু আন্তঃৰাষ্ট্ৰীয় উত্তৰ-দক্ষিণ পৰিবহন কৰিড'ৰকে ধৰি সহযোগিতাৰ বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰ সম্পৰ্কে আলোচনা কৰে।

০০০০০০০

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আয়ুষ্মান ভাৰত আঁচনিখনক সবাতোকৈ উৎকৃষ্ট সামাজিক নিৰাপত্তামূলক আঁচনিসমূহৰ অন্যতম বুলি অভিহিত কৰিছে। আমেৰিকাৰ পেনচিলভেনিয়া বিশ্ববিদ্যালয়ৰ হুৱাৰটন বিজনেছ স্কুলত এটা মত বিনিময় অনুষ্ঠানত ভাগ লৈ মন্ত্ৰীগৰাকীয়ে কয় যে, এই আঁচনিৰ জৰিয়তে জনসাধাৰণৰ স্বাস্থ্য বীমা কৰা হৈছে আৰু ইয়াৰ অধীনত ৬ কোটি ৩০ লাখতকৈও অধিক লোকক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। তেওঁ লগতে কোনো এজন লোকৰ ব্যক্তিগত বা আৰ্থিক অৱস্থা নিৰ্বিশেষে এই আঁচনিৰ অধীনত ৭০ বছৰৰ ঊৰ্ধৰ প্ৰতিগৰাকী লোককে সম্প্ৰতি সামৰি লোৱা হৈছে বুলিও উল্লেখ কৰে।

ডিজিটেল আন্তঃগাঁথনিৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, ভাৰতৰ নাগৰিকসকলক প্ৰদান কৰা ডিজিটেল এক্সেছৰ সুবিধা হৈছে এটা অতি শক্তিশালী মাধ্যম। তেওঁ লগতে ডিজিটেল আন্তঃগাঁথনিৰ জৰিয়তে ভাৰত দ্ৰুতগতিত বিকশিত অৰ্থনীতি হিচাপে পৰিগণিত হৈছে বুলিও উল্লেখ কৰে। জনসাধাৰণক এই সুবিধা বিনামূলীয়াকৈ আগবঢ়োৱা বিষয়টোতো শ্ৰীমতী সীতাৰমণে আলোকপাত কৰে।

০০০০০০০

কৰ্ণাটকৰ বেংগালুৰুত নিৰ্মীয়মান অট্টালিকা খহি পৰাৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ৫লৈ বৃদ্ধি পাইছে। বৰ্তমান উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। বেংগালুৰুৰ বাবুছাপল্যাত কালি ছমহীয়া অট্টালিকাটো খহি পৰাৰ সময়ত ২১ গৰাকী শ্ৰমিক ধ্বংসস্তূপত আবদ্ধ হৈ আছিল। হেন্নুৰ আৰক্ষী, এছ ডি আৰ এফ, এন ডি আৰ এফৰ লগতে আন সংশ্লিষ্ট পক্ষই উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। এতিয়ালৈকে ১৩ গৰাকী লোকক উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। ইয়াৰে ৬ গৰাকী লোকক ৰাজ্যখনৰ বিভিন্ন হাস্পতালত ভৰ্তি কৰোৱা হৈছে। অবৈধ নিৰ্মাণকাৰ্য চলোৱা সন্দৰ্ভত অট্টালিকাটোৰ স্বত্বাধিকাৰী আৰু ঠিকাদাৰৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰা হৈছে।

০০০০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া কালিৰ পৰা আৰম্ভ হৈছে। বিহালী সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টি প্ৰক্ষেপিত প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰে বিশ্বনাথ জিলা আয়ুক্ত কাৰ্যালয়ত আজি মনোনয়ন পত্ৰ দাখিল কৰিব। মনোনয়ন পত্ৰ দাখিলৰ সময়ত শ্ৰীঘাটোৱাৰক মন্ত্ৰী পীযূষ হাজৰিকা, ভৱেশ কলিতা, সাংসদ ৰঞ্জিত দত্ত, বিধায়ক

দিগন্ত কলিতা আদিয়ে সংগ দিব। ধলাই সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী নিহাৰৰঞ্জন দাসে কাইলৈ আৰু চামগুৰি সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই পৰহিলৈ মনোনয়ন পত্ৰ দাখিল কৰিব।

০০০০০০০

মহাৰাষ্ট্ৰৰ সমাগত বিধানসভা নিৰ্বাচনৰ বাবে শিৱসেনাই ৪৫ জনীয়া প্ৰথমখন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী একনাথ সিন্দেই বৰ্তমান প্ৰতিনিধিত্ব কৰি থকা ক'প্ৰি-পাচপাখ্ৰী বিধানসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। ইফালে ৰাজ্যখনৰ মন্ত্ৰী আব্দুল ছাট্টাৰে ছিল্ল'ড, সঞ্জয় ৰাথোৰে দিগৰাজ, সন্তোষ বাংগাৰে কালমনুৰী আৰু সঞ্জয় শ্ৰীছাটে পশ্চিম সম্ভাজিনগৰৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব।

ইতিমধ্যে মহাৰাষ্ট্ৰ নৱনিৰ্মাণ সেনাই তেওঁলোকৰ ৪৫ জনীয়া প্ৰাৰ্থীৰ দ্বিতীয়খন তালিকা ঘোষণা কৰিছে। এম এন এছ মুৰব্বী ৰাজথাকৰেৰ পুত্ৰ অমিত থাকৰেই মাহীম সমষ্টিৰ পৰা বৰ্তমানৰ শিৱসেনাৰ বিধায়ক সদা ছৰবানকাৰৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব।

০০০০০০০

ভাৰতীয় বায়ুসেনা বাহিনী আৰু উত্তৰাখণ্ড যুদ্ধ স্মাৰক বায়ু বীৰ বিজেতা কাৰ ৰেলী আজি সন্ধিয়াৰ ভাগত গুৱাহাটীত উপস্থিত হ'ব। যুদ্ধ বীৰসকলৰ মনোবল বৃদ্ধিৰ বাবে বিমান বাহিনীৰ মুৰব্বী এয়াৰ চীফ মাৰ্চেল অৰমপ্ৰীত সিঙে হাছিমাৰাৰ পৰা গুৱাহাটীলৈকে এখন বাহন চলাই এই ৰেলীত অংশ ল'ব। প্ৰতিৰক্ষা বিভাগৰ জনসম্পৰ্কৰক্ষী বিষয়াই গুৱাহাটীত জানিবলৈ দিয়া মতে এয়াৰ চীফ মাৰ্চেল গৰাকী আৰু তেওঁৰ সৈতে অহা দলটোৱে কাইলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছতেই এই কাৰ ৰেলী তেজপুৰ অভিমুখে ৰাওনা হ'ব। আমাৰ সংবাদদাতাই জানিবলৈ দিয়া মতে এই বৃহৎ কাৰ ৰেলী চলিত মাহৰ ৮ তাৰিখে ছিয়াছেন এয়াৰবেছৰ পৰা ফ্লেগ অপ কৰা হৈছিল আৰু অহা ২৯ অক্টোবৰত অৰুণাচল প্ৰদেশৰ টাৱাঙত এই ৰেলীৰ সামৰণি পৰিব। দেশৰ যুৱ প্ৰজন্মক প্ৰতিৰক্ষা বাহিনীত যোগদানৰ প্ৰতি উৎসাহিত কৰাৰ উদ্দেশ্যে এই ৰেলী উলিওৱা হৈছে।

০০০০০০০

অপসাৰিত প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ পদত্যাগ সন্দৰ্ভত কৰা মন্তব্যৰ বাবে বাংলাদেশত কালি ৰাষ্ট্ৰপতি মহম্মদ ছাহাবুদ্দিনৰ পদত্যাগৰ দাবী তীব্ৰতৰ হৈ উঠে। কালি নিশা চাৰে ৮ বজাত শতাধিক প্ৰতিবাদকাৰীয়ে ৰাষ্ট্ৰপতিৰ বাসস্থানৰ নিৰাপত্তাবেষ্টনী ভাঙি বংগভৱনত প্ৰৱেশৰ চেষ্টা চলায়। বংগভৱনত প্ৰৱেশত বাধা দিয়াৰ সময়ত প্ৰতিবাদকাৰী আৰু নিৰাপত্তাৰক্ষীৰ মাজত হোৱা সংঘৰ্ষৰ ফলত দুগৰাকী সাংবাদিককে ধৰি ৫ জন লোক আঘাতপ্ৰাপ্ত হয়। সাংবাদিকৰে সৈতে হোৱা অলপতে হোৱা এটা সাক্ষাৎকাৰত ৰাষ্ট্ৰপতি মহম্মদ ছাহাবুদ্দিনে প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা পদত্যাগ কৰা বুলি শুনিবলৈ পোৱাৰ বিষয়ে উল্লেখ কৰিছিল। অৱশ্যে এই সন্দৰ্ভত তেওঁৰ ওচৰত পদত্যাগ পত্ৰ নাইবা আ কোনো তথ্যভিত্তিক প্ৰমাণ নাই বুলিও উল্লেখ কৰিছিল। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কেইবাবাৰো চেষ্টা চলোৱাৰ পাছতো পদত্যাগ পত্ৰ লাভ কৰিবলৈ তেওঁ সমৰ্থ নহ'ল বুলিও উল্লেখ কৰিছিল। তেওঁ লগতে অপসাৰিত প্ৰধানমন্ত্ৰীগৰাকীয়ে ইয়াৰ বাবে নিশ্চয় সময় উলিওয়াব পৰা নাই বুলিও সাক্ষাৎকাৰটিত মন্তব্য কৰিছিল। ইপিনে বাংলাদেশ চৰকাৰৰ আইন উপদেষ্টাগৰাকীয়ে ঘটনাটো নিজৰ হাতলৈ নিয়াৰ লগতে ৰাষ্ট্ৰপতিগৰাকীয়ে শ্বেইখ হাছিনাৰ পদত্যাগৰ বিষয়টো সন্দৰ্ভত পৰস্পৰ বিৰোধী মন্তব্য দিয়া বুলি সোমবাৰে প্ৰকাশ কৰে।

০০০০০০০

এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাৰ ১৭ বছৰ অনূৰ্ধৰ যোগ্যতা নিৰ্দ্ধপণকাৰী খেলত ভাৰতে আজি নিজৰ অভিযান আৰম্ভ কৰিব। ভাৰতে আজি ব্ৰুনেই ডাৰুছালামৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি আজি দিনৰ আঢ়ৈ বজাত থাইলেণ্ডৰ চনব'ৰী ষ্টেডিয়ামত খেলখন অনুষ্ঠিত হ'ব।

মুখ্য প্ৰশিক্ষক ইছ্ফাক আহমেদৰ নিৰীক্ষণত ভাৰতৰ ১৭ বছৰ অনূৰ্ধৰ দলটো ৰাওনা হৈছে। ভাৰতক অন্তৰ্ভুক্ত কৰা গ্ৰুপ-ডিত থকা আন দেশসমূহ হৈছে থাইলেণ্ড, ব্ৰুনেই ডাৰুছালাম আৰু তুৰ্কমিনিস্তান। যোগ্যতা নিৰ্দ্ধপণকাৰী পৰ্যায়ৰ ১০টা গোটৰ বিজয়ী দলসমূহ আৰু ৫টা উৎকৃষ্ট দ্বিতীয় স্থানৰ দলে এ এফ চি ৭ বছৰ অনূৰ্ধৰ এছিয়ান কাপ ফুটবল প্ৰতিযোগিতা ২০২৫ৰ বাবে যোগ্যতা অৰ্জন কৰিব। ভাৰতে এইবাৰ চতুৰ্থবাৰৰ বাবে এই প্ৰতিযোগিতাত নিজৰ স্থান নিশ্চিত কৰাৰ বাবে প্ৰয়াস কৰিব।

০০০০০০০

নতুন দিল্লীৰ মেজৰ ধ্যানচন্দ নেচনেল ষ্টেডিয়ামত আজিৰে পৰা ভাৰত আৰু জাৰ্মানীৰ মাজৰ বহু অপেক্ষিত দ্বিপাক্ষিক হকী শৃংখলা আৰম্ভ হ'ব। খেলখন দিনৰ ৩ বজাত আৰম্ভ হ'ব। ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত এটা দশকৰ পাছত আন্তঃৰাষ্ট্ৰীয় হকী খেল অনুষ্ঠিত হোৱাৰ পৰিপ্ৰেক্ষিতত এই শৃংখলা বিশেষ ৰূপে পৰিগণিত হৈছে। হৰমনপ্ৰীত সিং নেতৃত্বাধীন ভাৰতীয় দলটো শৃংখলাত বৰ্তমানৰ বিশ্ব চেম্পিয়ন আৰু পেৰিছ অলিম্পিকত ৰূপৰ পদক বিজেতা জাৰ্মানীৰ বিৰুদ্ধে দুখন খেলত অৱতীৰ্ণ হ'ব। ইপিনে হকী ইণ্ডিয়াই ডিজিটেল টিকট প্ৰণালীৰ মাধ্যমেৰে ষ্টেডিয়ামত দৰ্শকৰ বাবে বিনামূলীয়া প্ৰবেশৰ কথা ঘোষণা কৰিছে। হকীৰ অনুৰাগীসকলে ডী ডী স্প'ৰ্টছ্ চেনেলৰ যোগেও খেলখনৰ পোনপটীয়া সম্প্ৰচাৰ চাব পাৰিব।

০০০০০০০

সমাপ্ত